# শুক্লধ্বজ

## অসমীয়া সত্তা, সমন্বয় আৰু কমতা ঐতিহ্য



সম্পাদনা

ভাস্কৰজ্যোতি মহন্ত

# অসমীয়া সত্তা, সমন্বয় আৰু কমতা ঐতিহ্য

২০১৫ ৰ মাৰ্চ মাহতো অসম বিধানসভাত 'অসমীয়া কোন' বিচাৰ কৰা হ'ল। অসম সাহিত্য সভাৰ কাণ্ডাৰীসকলকে প্ৰমুখ্যে বহু সংস্থা, সংস্থা, সমাজ বিজ্ঞানী, টিপ্পনীকাৰ, ৰাজনৈতিক ব্যক্তিয়ে 'অসমীয়া'ৰ সন্ধানত ব্ৰতী আছে যদিও আজিলৈকে 'অন্বেষণ' চলিয়েই আছে। চলিবৰ কথাই। আমাৰ আত্মকেন্দ্ৰিক চিন্তা চৰ্চা, জাত্যাভিমান, বিশেষ সাংগঠনিক ভেম, ৰাজনৈতিক বাতাবৰণ আদিয়ে কেইবাটাও দশক এনে ধৰণে থৰক বৰক কৰি তুলিলে যে অসম মুলুকত বাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী হৈ পৰিলে বিচলিত। পুৰুষানুক্ৰমে আহৰণ কৰা বিশেষ সামাজিক-সাংস্কৃতিক ৰীতি-নীতি মানি চলা কোনোচামে নিজকে অসমীয়া বুলি প্ৰতিপন্ন কৰি থাকিলে যদিও বহু জনগোষ্ঠীৰ নতুন প্ৰজন্মৰ বেছি ভাগে নিজকে অসমীয়া নহয় যেন বিবেচনা কৰা হ'ল। আৰম্ভ হ'ল বহু জনগোষ্ঠীৰ নিজকে পুনৰ আবিষ্কাৰ কৰাৰ এক দেখ দেখ প্ৰতিযোগিতা। সামাজিক-সাংস্কৃতিক সম্ভাৰবোৰক গোষ্ঠীসমূহৰ বৌদ্ধিক আৰু সামাজিক নেতৃত্বৰ পৰিচালনাত উপভোক্তাবাদৰ নতুন পৃথিৱীত দৃঢ়তাৰে পদক্ষেপ ল'বলৈ ন-ৰূপ দি মনোমোহা কৰি তোলা প্ৰক্ৰিয়া অব্যাহত হৈ আছে। ৰাজনৈতিকভাৱেও গোষ্ঠীসমূহ, জাতিসমূহ আৰু গোটসমূহ একীভূত হৈছে আত্মপৰিচয় সজোৰে প্ৰতিপন্ন কৰাত। ফলস্বৰূপে তেওঁলোকৰ স্বকীয়তাই ন্যায্য সন্মান পাইছে আৰু মানসিক তথা জাগতিক উৎকৰ্ষৰ বাবে প্ৰচুৰ সুবিধা আহি পৰিছে।

ঘৰে বাহিৰে অসমীয়া ভাষা কোৱা লোকসকলে নিশ্চয়কৈ ধৰি লোৱা (Taken for granted) 'অসমীয়াত্ব'ই উজুটি খোৱাটো উল্লিখিত প্ৰক্ৰিয়াটোৰ এক অৱশ্যম্ভাৱী পৰিণতি হৈ পৰিছে। 'উৱা, এওঁলোকে দেখোন নিজৰ গোষ্ঠীৰ বা জনজাতিৰ নামেৰেহে নিজকে পৰিচয় দিয়ে!' এইবুলি কপালত হাত চপৰিয়াই ইনাই-বিনাই থকাতকৈ কিছুমান ব্যৱহাৰিক ব্যৱস্থা লোৱাৰ সময় উকলি গৈছে। 'অসমীয়াত্ব' এক ভাষাগত সত্তা নে জাতিসত্তাগত ধাৰণা? অসমীয়া ভাষা ঘৰে-বাহিৰে কোৱাসকলৰ মাজতেই যে 'অসমীয়াত্ব' সোমাই আছে— সেই ধাৰণা ভুল বুলি প্ৰতীত হৈ পৰিছে। তাকে লৈ অৰণ্যৰোদন কৰাৰ কোনো কাৰণ নাই। 'জাতি সত্তা' ধাৰণাটোৰো হয়তো কেইবাটাও তৰপ থাকিব। তাৰে আইনী ধাৰণাটোৰ বিষয়ে আলোচনা এই বিশেষ লেখাত অপ্ৰাসংগিক কাৰণ এই গ্ৰন্থখনিৰ ই মূল উপজীব্য বিষয় নহয়। কোন চনৰ পৰা অসমত থকা লোকক 'অসমীয়া' বুলি কোৱা হ'ব, সেয়া ৰাজনৈতিক সমীকৰণ মতে হ'ব। কিন্তু আমি কৈছো এক সত্তাৰ কথা য'ত ফুলনিখনৰ বিভিন্ন ফুলবোৰে নিজ নিজ ভাবে ফুলি উঠি এখন জাতিস্কাৰ উদ্যান হ'ব আৰু সেই উদ্যানখন হ'ব এক বিশেষত্বৰ পৰিচয়েৰে উদ্ভাসিত উদ্যান।

যি হৈছে, বেয়াহে হৈছে বুলি ক'ব নোৱাৰি। বহুতো জাতি-জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতিৰ চকুত লগাকৈ বিকাশ হৈছে। ৰাজনৈতিক চেতনাৰো বিকাশ হৈছে। উগ্ৰ জাতীয়তাবাদী বা জাত্যাভিমানী বহু অসমীয়া ভাষীৰো চকু মেল খাইছে আৰু পৃথকতা সমূহক সন্মান কৰিবলৈ শিকিছে। বেছিভাগ সত্ৰ, ব্ৰাহ্মণ্যবাদৰ পুৰোধা লোকেও শুচিবায়ু গ্ৰস্ততাৰ পৰা আঁতৰি আহি 'ছেহ্ উপাই নাই' জাতীয় মনোবৃত্তিও গ্ৰহণ কৰিছে। সূক্ষ্ম পৰ্যবেক্ষণ কৰিলে দেখা পোৱা যাব যে, বজাৰকেন্দ্ৰিক অৰ্থনীতিয়ে সমাজৰ শিপালৈকে ছানি ধৰাৰ লগে লগে উপযোগী সংযোগৰ মাধ্যমৰূপে এক বিশেষ জীৱন চৰ্যাৰ (Way of life) আৱশ্যকতা আহি পৰিছে। তাৰ মাজতে আছে নেকি অসমীয়া সত্ত্বা? যেনেকৈ অতি আধুনিক উদাৰ উপভোক্তাবাদৰ ধামখুমীয়াত আমাৰ ল'ৰা-ছোৱালীহঁতে বাহিৰৰ পৃথিৱীখনৰ লগত বহু বেছি পৰিমাণে সংযোগ স্থাপন কৰি এক অৱশ্যম্ভাৱী ভাৰতীয়ত্ব— লগতে বিশ্বায়ন প্ৰক্ৰিয়াৰ এক অঙ্গাঙ্গি অংশ হৈ পৰিছে? অসমীয়া সত্তাক পুনৰ জীৱিত কৰিবলৈ আমি এতিয়াও চেষ্টা কৰিব পাৰো নেকি? এই বিশেষ 'জীৱন-চৰ্যা'ৰ সপোনক বাস্তৱায়িত কৰিবলৈ অসমৰ জনজীৱনৰ প্ৰধান সোঁতটোৰ কাণ্ডাৰীসকলৰ কেতবোৰ

দায়িত্ব হাতে-কামে পালনৰ সময় আহিছে। সেইবোৰ দায়িত্ব কেৱল খবৰ-কাকত বা কিতাপে-পত্ৰই গধুৰ প্ৰবন্ধ লিখি বা সংবাদ মাধ্যমত 'টক শ্ব' কৰিয়েই পালন কৰিলে নহ'ব। বৰঞ্চ বৰ বেছিকৈ এইবোৰ কথা আলোচনা কৰি থাকিলে সমস্যা সমাধান হোৱাতকৈ গধুৰ হোৱাৰ সম্ভাৱনাহে বেছি হ'ব। হাতে-কামে কৰিব লাগিব। লগতে অসমবাসী জাতি-জনজাতি, জনগোষ্ঠীসমূহৰ কাণ্ডাৰীসকলেও উদাৰ মনোবৃত্তিৰে পুৰণি-নতুনৰ যোগসূত্ৰেৰে থলুৱা পথাৰখন বহল কৰাৰ মানসিকতাৰে আগুৱাব লাগিব।

আজিৰ বিশ্বৰ বিভিন্ন দেশতে সংহতি (Integration)ৰ স্বৰূপেও ন ন ৰূপ লৈছে। 'চালাদ বাউল' (Salad bowl) নামাংকৃত পদ্ধতিত পাত্ৰটোত হৰেক ৰকমৰ পাচলিৰ প্ৰত্যেক বিধেই নিজ নিজ ধৰণে শোভা পাই থাকে, কিন্তু একেলগে গ্ৰহণ কৰিলে সুস্বাদু আহাৰলৈ পৰিৱৰ্তন হয়। বহু সাংস্কৃতিকবাদ (Multi-Culturalism) প্ৰক্ৰিয়াটোৰ বিষয়ে বৰ্তমান ইউৰোপকে ধৰি বিভিন্ন দেশতে প্ৰশ্নবোধৰ উদয় হৈছে। কাৰণ, এই প্ৰক্ৰিয়াত নিজ নিজ সংস্কৃতিক বিকাশ কৰি আগবঢ়াই নিবলৈ যাওঁতে সৃষ্টি হৈছে অবাঞ্ছিত সংকীৰ্ণতাবাদ। লগতে অন্য ৰীতি-নীতি আৰু সংস্কৃতিৰ বিষয়ে গা কৰি উঠে হিংসা, দ্বেষ আৰু অসহিষ্ণুতা। সেয়েহে বৰ্তমান বিদ্যায়তিক দিশত সজোৰে আলোকপাত হৈছে বহুত্ববাদ (Pluralism)ৰ বিষয়ে। এই প্ৰক্ৰিয়াত আছে নিজ নিজ জীৱন চৰ্যাৰ চৰ্চা আৰু বিকাশৰ প্ৰেৰণা কিন্তু তাত নাই হিংসা, দ্বেষৰ বিয়োগাত্মক প্ৰভাৱ। ইয়াৰ মতে নিজৰখিনিক আগুৱাই নিয়াৰ প্ৰচেষ্টাৰ লগতে প্ৰদৰ্শন কৰিব লাগিব অন্য ধাৰাৰ সংস্কৃতিৰ প্ৰতি যথোপযুক্ত সন্মান। ইয়াত আন্তঃসংস্কৃতিৰ বিনিময়ো প্ৰচুৰ হ'ব পাৰে।

বহুত্ববাদৰ এই উপাদানসমূহ অসমত প্ৰয়োগ হোৱাটো নিশ্চয় সময়ৰ আহ্বান। আমাৰ এই চিন্তাধাৰাৰ বাস্তৱিক ছবিখন নতুন প্ৰজন্মৰ চিন্তাবিদ ময়ুৰ বৰাৰ 'আমাৰ মনৰ সাঁকোবোৰ' শীৰ্ষক এক প্ৰৱন্ধত বৰ সুন্দৰকৈ প্ৰতিফলন হৈছে।

"কিন্তু অত্যন্ত পৰিতাপৰ কথা বেছিভাগ সময়তে সেই সংকীৰ্ণতাই আমাক আমনি নকৰে। বৰং আমি কেতিয়াবা ক'ব নোৱাৰাকৈয়ে আমাৰ মনত থকা তেনে সংকীৰ্ণ দৃষ্টিভংগীক সাৰ-পানী যোগাওঁ। এইক্ষেত্ৰত বহুতো অসমীয়া ভাষীৰ ভণ্ডামিও সীমাহীন। আমাৰ বহুতৰে মনত থকা তেনে দৃষ্টিভংগীৰ বাবেই কিছু জনজাতিৰ লোকৰ লগত থকা অসমীয়া ভাষীসকলৰ মনৰ সাঁকোখন ভাঙি পৰিছে। দুখৰ কথা তেতিয়াও আমি তেওঁলোককে দোষাৰোপ কৰিছো, কাৰোবাৰ প্ৰৰোচনাত অসমীয়া বিদ্বেষী হোৱা বুলি।

কেতিয়াবা আমাৰ ক্ষোভৰ লক্ষ্য হৈছে বাঙালীসকল আৰু আন কেতিয়াবা খৃষ্টান মিছনেৰীসকল। জনজাতি লোকসকলৰ ধৰ্মান্তৰকৰণৰ প্ৰশ্নটো আহিলেই বিষয়টো অধিক স্পৰ্শকাতৰ হৈ পৰে। আমাৰ মনৰ চিন্তা বৃদ্ধি পায়। কেতিয়াবা খণ্ডত ছাটি-ফুটি কৰি আমি তীব্ৰ বিষেদগাৰ কৰো মিছনেৰীসকলৰ প্ৰতি। কিন্তু প্ৰায়ভাগ ক্ষেত্ৰতেই সমমৰ্যাদা আৰু আন্তৰিকতাপূৰ্ণ মৰমৰ আধাৰত জনজাতীয় লোকসকলক হৃদয় উদ্বেলিত কৰিবলৈ আমি অসমৰ্থ। নিজৰ দুৰ্বলতা আৰু সংকীৰ্ণতাক নিশ্চিহ্ন কৰাতকৈ আমি লোকক দোষ দি বেছি ভাল পাওঁ।

পাহৰি যাওঁ অসমীয়া নামৰ ভাষাটোৰ প্ৰকৃত শাহখিনি। সেই শাহখিনিত নিহিত হৈ থকা বিভিন্ন জনজাতীয় সমাজৰ কৃষ্টি-সংস্কৃতিৰ বৰ্ণাঢ্য উপাদানবোৰক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে বৃহৎ অসমীয়া সত্তা। নিঃসন্দেহে পাছৰ কালত আহি পৰা আৰ্যমূলকৰ বহুবোৰ উপাদানেও জনজাতীয় কৃষ্টি-সংস্কৃতিক অধিক সমৃদ্ধ কৰিছে। কিন্তু অধিকাংশ অসমীয়া ভাষীয়ে যি গৌৰৱেৰে বা আনন্দেৰে সংস্কৃতমূলীয় বা আৰ্যমূলৰ আৰ্যমূলীয় ঐতিহ্যৰ কথা সোঁৱৰে, সেই একে আন্তৰিকতা আৰ্যভিন্ন উপাদানসমূহৰ ক্ষেত্ৰত পৰিলক্ষিত নহয়। ইয়াৰ আঁৰতেই লুকাই আছে আমাৰ সংকীৰ্ণতা আৰু উচ্চাত্মিকাবোধ। তাৰ বাবেই অসমীয়া ভাষীৰ মনোজগতৰ লগত থকা জনগোষ্ঠীয় লোকসকলৰ মনৰ সাঁকোবোৰ দুৰ্বল হৈ পৰিছে।”

*অনুনাদ ঃ সম্পাদনা ৰঞ্জিত চন্দ্ৰদেৱ গোস্বামী, ২০১২, পৃষ্ঠা— ৪২১*

গতিকে বহুত্ববাদী সংহতি প্ৰক্ৰিয়াৰ অংশ হিচাপে জনগোষ্ঠীয় সাংস্কৃতিক উপাদানসমূহক সন্মান দি উমৈহতীয়া সত্তাৰ সন্ধান কৰিব লাগিব। এই সন্ধান হ'ব লাগিব সমন্বয়ৰ। আৰু এই সমন্বয় ব্যক্তিৰ হৃদয় তথা কৰ্মৰ যোগেদি প্ৰকাশিত হৈ সমষ্টিমুখী হৈ সামূহিক সত্তালৈ উত্তৰণ হ'ব লাগিব। এয়াই সুন্দৰৰ মাজেদি সত্যৰ সন্ধান।

অসমীয়া জাতিৰ জনক শ্ৰীমন্ত শংকৰদেৱেও এই পথৰেই সন্ধান দি গৈছে। গভীৰ মানৱতাবাদী দৰ্শনত প্ৰতিষ্ঠিত শংকৰী দিক্ দৰ্শনে আজিৰ প্ৰজন্মক সোঁৱৰাই দিয়ে এই প্ৰৱন্ধৰ আৰম্ভণিতে উল্লেখ কৰা সুশোভিত ফুলৰ উদ্যানখনলৈ।

‘শিৰীষ সেউতী, তমাল মালতী, লৱঙ্গ বাগি গুলাল।
কৰবী বক কাঞ্চন চম্পক, ফুল ভৰে ভাঙে ডাল।’

শ্ৰীমন্ত শংকৰৰ এই অপূৰ্ব উদ্যান বৰ্ণনাৰ লগত

'কিৰাত কছাৰী, খাছি গাৰো মিৰি,
যৱন কঙ্ক গোৱাল
অসম মুলুক, ধুৰা নে তুৰুক,
কুবাচ ম্লেচ চণ্ডাল।'

পংক্তি শাৰীৰ লগত ড° ৰঞ্জিতদেৱ গোস্বামীয়ে যথার্থতে ধ্বনিগত অনুষংগ প্ৰত্যক্ষ কৰিছে। যিটো জাতিৰ জনকজনাই ছশ বছৰ আগেয়ে এনে এক সামাজিক স্বৰূপক স্বতন্ত্ৰতাৰে ভৰা পুষ্প সমাহাৰৰ অপূৰ্ব উদ্যান ৰূপে সজাই থৈ গৈছে, সেই জাতিয়ে নিশ্চয় পৰস্পৰক সন্মান যাঁচি এক সামূহিক সত্তা নিৰ্মাণত উমৈহতীয়াকে হাত উজান দিব।

সত্তাৰ অন্বেষণৰ এক উল্লেখযোগ্য উপাদান হ'ল ঐতিহ্যৰ চেতনা। আমি তথাকথিত মূল সুঁতিৰ মানুহবোৰেও প্ৰকৃততে এই দিশত বৰ পিছ পৰা হৈ আছো। সাম্প্ৰতিক অসমৰ মূল ঐতিহ্যসমূহৰ বিষয়ে আমাৰ বৌদ্ধিক চেতনা বৰ দুখ লগা; এনে দৈন্যতাৰে আমি 'অসমীয়াত্ব'ৰ সন্ধান কৰাটো মুৰ্খামিৰ পৰিচয়। কামৰূপ-কমতাৰ ঐতিহ্য আমাৰ বাপতিসাহোন; এই ঐতিহ্যৰ অৱদান অবিহনে আজি আমি 'অসমীয়া' আৱৰণেৰে সমৃদ্ধ হৈ দপ্‌দপাই থাকিব নোৱাৰিলোহেঁতেন। বৰ্তমান অসমৰ পশ্চিমাঞ্চল তথা ৰাজ্য পুনৰ গঠন প্ৰক্ৰিয়াত পশ্চিমবংগৰ লগত চামিল হোৱা কোচবিহাৰ ৰাজ্যৰ ইতিহাস আৰু ঐতিহ্যৰে আজিৰ অসম গঠিত আৰু সমৃদ্ধ। এই ঐতিহ্য খাটি খোৱা মানুহৰ দুৰন্ত কৰ্ম-প্ৰেৰণা, দুৰ্জেয় সাহস আৰু ৰণকৌশলৰ পৰা আৰম্ভ কৰি প্ৰজাহিতকৰ তথা বিশ্বজয় কৰিবলৈও কুণ্ঠাবোধ নকৰা, মানৱ ৰত্ন তথা পাণ্ডিত্যৰ যথাযোগ্য সন্মানেৰে কৃষ্টি-সভ্যতা অমৰ কৰি ইতিহাস ৰচনা কৰা ৰাজতন্ত্ৰৰ ঐতিহ্য। মহাৰাজ বিশ্বসিংহকে ধৰি তেওঁৰ উত্তৰসুৰী নৰনাৰায়ণ চিলাৰায়ৰ কামৰূপ-কমতা ইতিহাসলৈ আগবঢ়োৱা অৱদানৰ বিস্তৃত ৰূপ আজি আমি অসমবাসীয়ে নাজানো। যাৰ ফলত আমাৰ বিশ্ব-বীক্ষা অসম্পূৰ্ণ, আমাৰ আত্মপৰিচয় কেণা লগা আৰু ভ্ৰান্ত ধাৰণাৰে আমাৰ নেতৃত্ব আক্ৰান্ত।

"কেৱল মাথোঁ কাললৈকে খিয়াতি থকা সামৰিক অভিযানেৰেই নহয়, গোহাঁই কমল আলি নিৰ্মাণ, বৃক্ষৰোপণ, পুখুৰী খনন, পশুৰ বাবেও চিকিৎসালয় নিৰ্মাণ, শিক্ষা আৰু জ্ঞানৰ সম্প্ৰসাৰণ, পণ্ডিতক যথাযোগ্য সন্মান প্ৰদৰ্শন, কামাখ্যা মন্দিৰকে ধৰি বিভিন্ন মঠ-মন্দিৰ নিৰ্মাণ আৰু সুচাৰুৰূপে পৰিচালনা, সৰ্বসাধাৰণৰ হাতত তুলি দিবলৈ বা সৰ্বসাধাৰণে ঢুকি পাবলৈ বিভিন্ন মূল্যবান

পুথিৰ অনুবাদকৰণ, মুদ্রা প্রচলন ইত্যাদি বিভিন্ন কৰ্মৰ জৰিয়তে (কাৰ্বনৰ আঁহৰ ৰচিতকৈও মজবুত ৰচিৰে টানিব পৰা অত্যাধুনিক 'লিফ্‌ট্'তকৈও বহু বেছি কুশলতাৰে) সেই সময়ৰ পটভূমিত সমগ্র কমতা-কামৰূপক যিদৰে উত্তোলন কৰাইছিল, ভাবিলেই বিস্ময়াভিভূত নহৈ উপায় নাই। অইন বিষয়বোৰ বাৰু বাদেই দিলো, যদি মাথোঁ ঐতিহাসিক গোহাঁই কমল আলিটোকেই আলোচনাৰ বাবে নির্বাচন কৰো, তেতিয়াও বিস্ময়ত হতবাক নহৈ কোনো উপায় নাই। আজি একবিংশ শতিকাতো আমাৰ অঞ্চলটোৰ আলি-পদূলিৰ যি শোচনীয় অৱস্থা, অইন নালাগে, ৰাজধানী তথা সমগ্র উত্তৰ-পূর্বাঞ্চলৰ দুৱাৰডলিস্বৰূপ গুৱাহাটী মহানগৰীখনৰ আলিবাটবোৰৰ যি শোচনীয় অৱস্থা, তাৰেই পটভূমিত যদি আমি বিচাৰ কৰো— প্ৰায় চাৰি শ আঠষষ্ঠি বছৰ পূর্বেই সুদূৰ কোচবিহাৰৰ পৰা নাৰায়ণপুৰলৈ (বৰ্তমানৰ উত্তৰ লখিমপুৰ) এটা আহল-বহল ওখ পথ নির্মাণ কৰাৰ বিষয়ে চিন্তা কৰিবলৈ কেনে ধৰণৰ দৃষ্টিভংগী, ক্ষমতা, মগজুৰ, দক্ষতাৰ আৱশ্যক হ'ব লাগিব— আজিৰ ৰাজনৈতিক নেতাসকললৈ লক্ষ্য কৰিলে কোনো তুলনাৰ কথা ভাবিবই নোৱাৰি।"

*অঞ্জন শর্মা, ইতিহাসে ৰিঙিয়ায় ঃ নৰনাৰায়ণ চিলাৰায়, পৃষ্ঠা* ৩৩১-৩৩২

সেই বেহাৰ ৰাজ্যতে শ্ৰীমন্ত শংকৰ আৰু তেওঁৰ প্ৰধান শিষ্যসকলে শান্তিৰে আশ্রয় লৈ অমৰ সৃষ্টিৰাজিৰে অসমীয়া জাতি নিৰ্মাণ কৰি গ'ল। ৰাজপৰিয়ালে আৰু লগতে ৰাইজখনেও মহাপুৰুষ কেইজনাৰ প্রকৃত মনীষা উপলব্ধি কৰি এই প্রক্রিয়াত হাত উজান দিলে।

কোচবিহাৰ ৰাজ্যক পশ্চিমবংগৰ লগত চামিলকৰণৰ সিদ্ধান্তটো ভাৰত চৰকাৰৰ আইন (১৯৩৫)ৰ ২৯০ (ক) ধাৰা অনুসৰি ১৯৫০ চনৰ ১ জানুৱাৰী তাৰিখে বলৱৎ হয়।

"......of the State's population of between six and seven lakhs, the Bengalis numbered a mere 30,000......... The bulk of the population consisted of Rajbanshis and Muslims. (Sri Akbar Hyderi, to Ballav Bhai Patel, 29th June 1948, SPC, VI, dr. 45, pp 45-7

নিৰোদ কুমাৰ বৰুৱাই তেওঁৰ Gopinath Bordoloi, the 'Assam Problem' and Nehru's Centre নামৰ গ্রন্থখনিৰ ৪২৫ পৃষ্ঠাত উল্লেখ

কৰিছে যে যেতিয়া অসমৰ ৰাজ্যপাল চাৰ আকবৰ হায়দৰি ১৯৪৮ চনৰ জুন মাহত কোচবিহাৰলৈ যায় "he was warmly welcomed by the Cooch Beharis not became of his personal qualites but because they were relieved at seeing in him "the visible evidence that Cooch Behar was not tied to the apronstrings of West Bengal."

গৱৰ্ণৰে বিচাৰিছিল, অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে বিচাৰিছিল, কোচবিহাৰৰ ৰাইজে বিচাৰিছিল, কিন্তু কোচবিহাৰ পশ্চিমবংগলৈ গ'ল। নতুনকৈ নিৰ্মাণ হোৱা ভাৰত ৰাষ্ট্ৰৰ ৰাজনৈতিক বাধ্যবাধকতা, পশ্চিমবংগই হেৰুৱাবলগা বহু ভূমিখণ্ড আদি বিষয়বোৰ হয়তো এই সিদ্ধান্তৰ কাৰক আছিল।

এতিয়া আৰু তাকে লৈ মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। কিন্তু প্ৰয়োজন আছে আমি নিজেই নিজকে ন-কৈ পৰীক্ষা কৰাত। জনগোষ্ঠীসমূহৰ লগত শ্ৰীমন্ত শংকৰ চেতনাৰে ঐতিহ্যৰ সাঁকো বন্ধাৰ সময়তে আমি সাঁকো গঢ়িব লাগিব কমতা তথা পূৰ্বৰ বেহাৰ ৰাজ্যৰ লগত। মনৰ সাঁকো, ঐতিহ্য চেতনাৰ সাঁকো। এই সাঁকো গঢ়াৰ সেনাপতি চিলাৰায়ে উৰুৱাই ফুৰিছিল শুকুলা পতাকা। যি পতাকাৰ মলয়া বতাহে চৌৱাই নিছিল প্ৰাচীন কামৰূপ-কমতা তথা পূব ভাৰতৰ সকলো গোটৰ, সকলো লোকৰ মনৰ দিগন্ত। পুনৰবাৰ সেই গৌৰৱগাঁথা আমাৰ উমৈহতীয়া সত্তাৰ মাজত প্ৰতিধ্বনিত হওক বিশেষ মনৰ অধিকাৰীজনৰ নামেৰে— শুক্লধ্বজ! শুক্লধ্বজ!!

— ভাস্কৰজ্যোতি মহন্ত